# সম্পাদকীয় চ'ৰা—

প্ৰাগজ্যোতিষ কলেজৰ আলোচনী "প্ৰাগজ্যোতিষ"ৰ এয়া দ্বিতীয় তাঙৰণ। সম্পাদনাৰ সাহিত্যিক জমা খৰচৰ হিচাব পঢ়ুৱৈ সমাজে বিচাৰি চাব। সম্পাদনাৰ পঢ়ুলিত বৈ যোৱা ধূলি বালি—সময়ে গছকি যাব—তাৰ বাবে দায়ী সম্পাদিকাৰ অপৈনত হাত আৰু অভিজ্ঞতাৰ অভাৱ মাথোন।

কলেজীয়া আলোচনীৰ সম্পাদকৰ বিষয় বাব মানে হৈছে সাহিত্যৰ প্ৰতি থকা তেওঁৰ এটি স্বাভাবিক আবেদন—আৰু আলোচনী সম্পাদনাৰ আঁৰৰ তেওঁৰ সাহিত্যিক দায়িত্ব। অৱশ্যে বছৰি এবাৰ মাথোন প্ৰকাশ হোৱা আলোচনী এখনৰ সম্পাদনাৰ ভাৰ লৈয়েই কোনো সম্পাদক সাহিত্যিক হৈ নুঠে—কিম্বা কোনো আলোচনীৰ পাটত প্ৰকাশ হোৱা দুই এটা গল্প প্ৰবন্ধই কোনো ব্যক্তি বিশেষক সাহিত্যিক বা লিখক শ্ৰেণীলৈ তুলিব নোৱাৰে। তাৰ বাবে লাগিব সাহিত্যৰ প্ৰতি সশ্ৰদ্ধ আবেদন আৰু ধাৰাবাহিক অনুশীলন।

বাস্তৱ জীৱনৰ আবেগ-অনুভূতি সংঘাত আদিৰ জীৱন্ত প্ৰকাশতে হয় সাহিত্যৰ সৃষ্টি। সাহিত্যৰ ধাৰা গতিশীল। কিছুদিনৰ পৰা অসমৰ বতাহতো সাহিত্য বিকাশৰ এটি ধাউতি দেখা গৈছে। প্ৰবন্ধ পাতি, চুটি গল্প, নতুন কবিতা আৰু আধুনিক অসমীয়া সাহিত্যৰ ওপৰত মৌলিক চিন্তাধাৰা আৰু গবেষণা মূলক ... চনা চলিব ধৰিছে। ই এক উন্নতি ... ৰেঙনি। যুগ পৰিবৰ্ত্তনশীল। পৃথিবীৰ ... সীমাৰ মাজতো পৰিবৰ্ত্তনে ভুমুকি মাৰে— পৃথিবী চেৰাই স্পুটনিকে পৃথিবীৰ মানুহ... বিকাশ মহা-আকাশত ঘোষণা কৰিছে।

প্ৰগতিশীল আধুনিক অসমীয়া ... পুৰণি সীমা চেৰাই বিশ্ব সাহিত্যৰ ৰেঙনি ... সমুখৰ বাধাক নেওচি আগবাঢ়িছে ... আজি যেন বিশেষকৈ কবিতাৰ বিষয় ... নীৰৱ অৱস্থা পৰিলক্ষিত হৈছে। বিশ্ববি... ছাপমৰা কবিতা পুথি কেইখনৰ বাদে ... যুগৰ কবিতাই এতিয়া যেন নিতাল ... ৰামধেনু যুগৰ নতুন কবিতাই সমুখৰ ... নেওচি আলোচনীৰ বুকুত মাজে মাজে ... পুতিছে। কিন্তু কবিতা বিপ্লৱৰ এই সময় ... সমালোচনাৰ চেপা খোৱাৰ ভয়ত কবিতা... শৰ অৰ্দ্ধাৰ ছপাশালে একপ্ৰকাৰ নো... হল যেন অনুমান হয়। নহলে কিতাপ... ৰত কবিতাৰ কিতাপে নিতাল মাৰিলে ... হয়তো কবিতাৰ এই অন্তৰ্বিপ্লৱৰ শেষ পা... কাৰণে বাট চাই আছে কোনে জানে ... ঘঁহনি খাই কবিতাৰ গতি পথে কোনোবা... পায়নে নাপায় !!!

যুগৰ বতাহত সাহিত্যয়ো স্মৃতি সলায়। আমাৰ অসমীয়া সাহিত্যয়ো স্মৃতি সলাই পাৰ ভাঙি আগবাঢ়ি যোৱাৰ সপোন দেখিছে। কিন্তু বিষা বাঢ়ি খৰালি শেষ হৈ যোৱা মৰাভৰলুৰ ৰ নহৈ আমাৰ অসমীয়া সাহিত্যৰ নৈখন যুগ ান্তৰ বৈ যাওক—স্মৃতিও সলাওক তাত অযুত ানৈ আহি লগ লাগিও যাওক—কিন্তু তথাপিও ন ঘাঁই স্মৃতি বিজুতৰীয়াহে মৰাস্মৃতিত ান্তৰ নহয়।

শ্ৰদ্ধাঞ্জলী—

অসমৰ স্নায়ুকেন্দ্ৰ গুৱাহাটী মহানগৰীৰ ক্ৰমমান ছাত্ৰ-ছাত্ৰী সকলৰ সমানুপাত শিক্ষানুৰ অভাৱ উপলব্ধি কৰি যি সকল দূৰদৰ্শী ক্তিয়ে প্ৰাগজ্যোতিষ কলেজৰ সপোন দেখিলে খত সকলৰ প্ৰতি থকা আমাৰ আন্তৰিক শ্ৰদ্ধাত তিয়াও মোলান নপৰে। কলেজ স্থাপন ত্যত যি সকল মহান ব্যক্তিয়ে বৰঙণি দিলে খত সকলক নমস্কাৰ। আমাৰ কলেজখন চনৰ পৰা সোণাৰাম হাইস্কুলতেই চলি ছিল। সৌ সিদিনা '৫৭ চনৰ আগষ্ট মাহৰ দিন আৰু ৰাতি দুয়োটা শাখা কলেজৰ । মাটিত নতুনকৈ সজা ঘৰত বহিছে। খাল, গৰখাৰৈ পুতি চালুকীয়া কলেজ এখনে ন কম সময়ৰ ভিতৰতে নিজা ঘৰ দুৱাৰ জ আশাতীত ভাবে আগবাঢ়ি যোৱা কথাটো কৰিবলগীয়া। এই বিষয়ত অধ্যক্ষ মহোক কেন্দ্ৰ কৰি পৰিচালক সমিতি আৰু অধ্যাপক লৰ আশাসুধীয়া সহায় সহযোগ উল্লেখযোগ্য। খত সকললৈ আমাৰ শ্ৰদ্ধা থাকিল।

## স্মৃতি তৰ্পণ

অসম মেডিকেল কলেজৰ প্ৰাক্তন অধ্যক্ষ আৰু সুসাহিত্যিক ডাঃ হেম বৰুৱা দেৱ, ভাৰতৰ শিক্ষা আৰু গবেষণা মন্ত্ৰী মৌলানা আবুল কালাম আজাদ আৰু অসম সাহিত্য সভাৰ ভূতপূৰ্ব্ব সভাপতি আৰু "জ্ঞান মালিনী" নামৰ কবিতা পুথিৰ কবি শ্ৰীমফিজুদ্দিন আহমদ হাজৰিকাৰ অকাল বিয়োগত আমি দুখ প্ৰকাশ কৰি তেওঁ লোকৰ পৰলোকগত আত্মাৰ প্ৰতি পৰমেশ্বৰৰ ওচৰত চিৰশান্তি কামনা কৰিছো।

## কলেজৰ চাৰিবেৰৰ মাজত

এই বছৰৰ পৰা আমাৰ কলেজত কলা-বিভাগৰ তৃতীয় বাৰ্ষিক শ্ৰেণী আৰু বিজ্ঞান শাখা (প্ৰথম বৰ্ষ) খোলা হৈছে। কলেজৰ বৰ্ত্তমান ছাত্ৰ সংখ্যা প্ৰায় ১২০০ বা অধিক। সেই অনুপাতে কোনো কোনো বিষয়ত অধ্যাপকৰ সংখ্যা নিচেই তাকৰ। তথাপিও আমাৰ বিশ্বাস এই বিষয়ত আমাৰ মূৰ কামোৰণি হোৱাৰ আগতেই কলেজ কৰ্তৃপক্ষই বিহিত ব্যৱস্থা হাতত লব।

## ছাত্ৰ ইউনিয়নৰ ভিতৰ চ'ৰাত

এই বছৰ কলেজ কৰ্তৃপক্ষই ছাত্ৰৰ কোনো মতামতলৈ লক্ষ্য নাৰাখি ইউনিয়নৰ মাচুল কমকৈ ধাৰ্য্য কৰিলে। ইয়াৰ বাবে সমুদায় বছৰত ইউনিয়ন সংক্ৰান্ত বিভিন্ন শিতানত বছৰৰ শেষত ঘাটি পৰাৰ সম্ভাৱনা। ছাত্ৰ ইউনিয়নৰ পুজি কলেজ পুজিৰ পৰা আলগ কৰি ইউনিয়নৰ সভাপতিৰ অধীনত ৰাখিব লাগে।

## কলেজ আলোচনীৰ মাছুল

আগেয়ে কলেজ আলোচনীৰ কাৰণে বছৰেকত তিনি টকা মাছুল ধাৰ্য্য আছিল কিন্তু বৰ্ত্তমান চলিত বছৰত তিনি টকাৰ ঠাইত এটকা কৰাত বহু ক্ষেত্ৰত টকাৰ নাটনি দেখা গৈছে **আৰু তাৰ ফলত কলেজ কৰ্তৃপক্ষক অনুৰোধ কৰি অইন বিষয়ৰ** পৰা টকা লৈহে কলেজ আলোচনী সম্পূৰ্ণ কৰিবলগীয়া হৈছে। গতিকে **কলেজ কৰ্তৃপক্ষক আগৰ নিৰ্দ্ধাৰিত মাছুল পুনৰ** নিৰ্দ্ধাৰিত কৰিবলৈ অনুৰোধ কৰা হ'ল।

## বেটুপাত শিল্পীলৈ

আমাৰ কলেজ আলোচনী খনৰ বেটুপাতৰ কাৰণে **শ্ৰী**যুত ধ্ৰুবজ্যোতি শৰ্ম্মাই বহুমূলীয়া সময় নষ্ট কৰিও আকি দি আমাৰ আলোচনীৰ শোভা বৰ্দ্ধন কৰিছে তাৰ বাবে তেখেতলৈ অশেষ ধন্যবাদ আগ বঢ়াইছো।

## মিনতি

"তেজস্বিনাৰধীতমস্তু" আমাৰ প্ৰাগজ্যোতিষ কলেজৰ আদৰ্শমন্ত্ৰ। ইয়াৰ তাৎপৰ্য্যলৈ চিৰকাল মনত ৰাখি অধ্যাপক আৰু ছাত্ৰসকলৰ মাজত আৱহমান কালৰ ঐতিহ্যপূৰ্ণ সহৃদয়তা বজাই ৰাখিবলৈ মিনতি জনালোঁ।

আমাৰ কম বয়সীয়া কলেজখনত বহুত আলৈ আহুকাল হয়তো থাকিব পাৰে—তথাপিও এৰাব নোৱাৰা আভ্যন্তৰিণ প্ৰতিবন্ধক বোৰৰ কথা চিন্তা কৰি ছাত্ৰসকলে পাৰ কৰি অহা দিনবোৰৰ দৰেই—কলেজখনক আগবাঢ়ি যোৱাত সহায় কৰা উচিত আৰু কলেজ কৰ্ত... কলেজৰ চাৰিসীমাৰ অন্তৰ্গত অসুবিধাবো... কৰণৰ বাবে বিহিত ব্যৱস্থা যেন হাতত ল...

এটি সুগভীৰ তাৎপৰ্য্যপূৰ্ণ আদৰ্শ... প্ৰতিষ্ঠিত এই প্ৰাগজ্যোতিষ কলেজৰ ছা... **সকল নৈতিক** বিকাশেৰে অনুপ্ৰাণিত হৈ... আন শিক্ষা প্ৰতিষ্ঠানবো যেন আদৰ্শ... প্ৰদৰ্শক হব পাৰে তাৰ বাবে মিনতি জনা...


## আলোচনী সম্পৰ্কে

এহেজাৰ আলৈ আহুকালৰ মাজত ... জ্যোতিষে" অলপ পলম কৈ ভুমুকি মা... "প্ৰাগজ্যোতিষ"ৰ ফাঁকে ফাঁকে ৰৈ... অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে সম্পাদিকা... প্ৰাৰ্থী। প্ৰায় ১২০০ ছাত্ৰ-ছাত্ৰাৰ প্ৰবন্ধ... শৰ বাবে কেৱল এখন আলোচনী ব... যথেষ্ট নহয়। যি সকল ছাত্ৰ-ছাত্ৰীৰ প্ৰ... সংখ্যাত প্ৰকাশ নহল তেখেত সকলক নি... নহবলৈ অনুৰোধ জনালো। আলো... প্ৰকাশৰ পথত অধ্যাপক শ্ৰীসৰ্ব্বানন্দ ৰা... যি খিনি অৱিহনা যোগালে তাৰ বাবে... আৰু কৃতজ্ঞতাই যথেষ্ট নহয়। তদুপৰি অ... চনীখন প্ৰকাশত আনুসঙ্গিক কামত... সহায় আৰু সহযোগৰ কাৰণে সকলোৰে... ধন্যবাদ থাকিল। সদৌশেহত প্ৰাগজ্যো... পোহৰে ছাত্ৰছাত্ৰী সকলক জীৱনৰ দী... এন্ধাৰ বাটত আগবঢ়াই নিয়ে যেন—... কামনা।

বিনীতা—

—সম্পাদিকা—

( 1957-58 )



*(Left to Right)* *Sitting* :—Miss R. Phukan (Secy. Girls' Common Room), Principal T. N. Sarmah (President), Miss S. Phukan (Editor).

*Standing* :—Mr. R. Mahanta (Secy. Games and Sports), Mr. S. Dutta (Asstt. Secy. Union). Mr. J. Talukdar (Secy. Commo Roomn). Mr. T. Bhuyan (Secy. Social Service), Mr. B. Bhatta.